# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত চহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে ১১ গৰাকী শ্বহীদৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। মনবৰ নাথ, কুমলী দেৱী, মহিৰাম কোচ, তিলেশ্বৰী বৰুৱা, ৰতন কোচ, খহুলী দেৱী, মণিৰাম কোচ, লেৰেলা কোচ, সৰুনাথ চুতীয়া, দয়াল পাণিকা আৰু মংগল কোচ নামৰ শ্বহীদ কেইগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অঞ্চলটোৰ ৰাইজে গ্ৰহণ কৰা বিশেষ ভূমিকা আৰু আত্মবলিদানৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। ঢেকীয়াজুলি অঞ্চলৰ সাহসী শ্বহীদসকলৰ আত্মত্যাগৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে দেশত জালিয়ানাৱালাবাগৰ পাছত ঢেকীয়াজুলিতে সৰ্বাধিক সংখ্যক লোকে দেশৰ হকে প্ৰাণত্যাগ কৰিছিল। অঞ্চলটোৰ বিভিন্ন জাতি-জনজাতিৰ লোকে ঐক্যবদ্ধভাৱে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই ঢেকীয়াজুলিৰ এই অৱদান বৰ্ণিল আখৰেৰে ভাৰতৰ ইতিহাসত লিখা থাকিব বুলি উল্লেখ কৰে। অনুষ্ঠানটোত মুখ্যমন্ত্ৰীয়ে ঢেকীয়াজুলীক উপ-জিলা ৰূপেও ঘোষণা কৰে। ঢেকীয়াজুলি উপ-জিলাৰ কাম-কাজ ২ অক্টোবৰৰ পৰা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, বিধায়ক পৃথ্বিৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আৰু শোণিতপুৰ জিলাৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

ওদালগুৰি জিলাৰ টংলাত আজিৰেপৰা আৰম্ভ হোৱা অসম সাহিত্য সভাৰ ষষ্ঠ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰী দৈমাৰীয়ে সাহিত্য সভাই অসমৰ জাতীয় জীৱনৰ দিক্ নিৰ্ণায়ক অনুষ্ঠান হিচাপত কাম কৰি আহিছে বুলি মন্তব্য কৰে। বিধানসভাৰ অধ্যক্ষগৰাকীয়ে এটা ভাষা জাতিৰ অস্তিত্ব স্বৰূপ বুলি মন্তব্য কৰি কয় যে সাহিত্য অবিহনে ভাষা জীয়াই ৰখাটো অসম্ভৱ। অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীৰ অসম সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই শুভাৰম্ভ কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত ড° হাজৰিকাই অসমীয়া ভাষা সাহিত্য উন্নয়নৰ লগতে সাধাৰণ মানুহৰ মাজত সুপ্ত হৈ থকা সৃজনীমূলক সৃষ্টিৰাজিক উদ্ভাষিত কৰিবলৈ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ বাবে অসম সাহিত্য সভাই অহোপুৰুষাৰ্থ কৰি যাব বুলি ব্যক্ত কৰে। অধিৰেশনত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধি উপস্থিত থকাৰ লগতে কুঁহি, ৰামধেনু আৰু আকাশ অনুষ্ঠানৰ সদস্যৰ উপস্থিতিৰে আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। কাইলৈ সাহিত্য সভাৰ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব।

0000000

স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ অংশ হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ তেওঁ কয় যে, এখন সুস্থ সবল সমাজ গঢ়ি তোলাৰ বাবে সকলোকে স্বচ্ছতাক দৈনন্দিন জীৱনৰ অংগ হিচাপে আকোৱালি ল'ব লাগিব। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় অসামৰিক চিকিৎসালয়ত স্বচ্ছতাৰ বাবে জনঅংশীদাৰ কাৰ্যসূচীত অংশ লৈ পৰিবেশ স্বচ্ছ আৰু নিকাকৈ ৰখাৰ বাবে প্ৰতিগৰাকী নাগৰিকক দায়বদ্ধ আৰু সংকল্পবদ্ধ হ'বলৈ আহ্বান জনাই তেওঁ চিকিৎসালয়খনত স্বচ্ছতা অভিযানত প্ৰত্যক্ষভাৱে অংশ লয়। মন্ত্ৰীগৰাকীয়ে ছাফাই মিত্ৰ সুৰক্ষা শিবিৰো শুভাৰম্ভ কৰে। তেওঁ কয় যে, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশত জনসাধাৰণৰ একোটি পদক্ষেপে দেশক স্বচ্চ আৰু সুস্থ কৰি তোলাত সহায় কৰিব। ইয়াৰ বাবে সকলোৱে ছাফাই কৰ্মীৰ ভূমিকা পালন কৰিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

0000000

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেত্ৰী আতিশী মাৰ্লেনাই আজি দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাজ নিবাসত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত দিল্লীৰ উপ-ৰাজ্যপাল এল জি ভি কে ছাক্সেনাই আতিশীৰ লগতে মন্ত্ৰী পৰিষদক শপত বাক্য পাঠ কৰোৱায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আপৰ নেতা অৰবিন্দ কেজৰিৱালৰ পদত্যাগৰ পাছত আতিশী মাৰ্লেনাক দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়াৰ লগতে অন্য ৫ গৰাকী মন্ত্ৰীৰ নিযুক্তিৰ বাবেও অনুমতি দিছিল। এই নতুন মন্ত্ৰীসভাৰ মন্ত্ৰীসকল হৈছে - গোপাল ৰায়, কৈল্যাস গেহলট, সৌৰভ ভৰদ্বাজ, ইমৰান হুছেইন আৰু মুকেশ আহলাৱট। উল্লেখযোগ্য যে সুষমা স্বৰাজ আৰু শীলা দিক্ষিতৰ পাছত আতিশী মাৰ্লেনা দিল্লীৰ তৃতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী।

0000000

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি শিশুৰ আৰ্থিক ভৱিষ্যত সুনিশ্চিত কৰিবলৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ১৮ ছেপ্তেম্বৰত নতুন দিল্লীত শুভাৰম্ভ কৰা এন পি এছ্ বাৎসল্য আঁচনি সন্দৰ্ভত নাবাৰ্ডৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰৱন্ধকে আয়োজন কৰা সভাখনত জিলা ভাৰপ্ৰাপ্ত আয়ুক্তকে ধৰি চৰকাৰী উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে পঞ্জাব নেচনেল বেংকৰ উত্তৰ লখিমপুৰ শাখাৰ বিষয়ববীয়া তথা জিলাখনৰ প্ৰায় ৩০ খন বিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে বিষয়ববীয়াসকলে অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এন পি এছ্ বাৎসল্য আঁচনিৰ জৰিয়তে অভিভাৱকসকলে নাবালক সন্তানৰ বাবে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ একাউণ্ট খুলিব পাৰিব। শিশুৰ আৰ্থিক সুৰক্ষা সুনিশ্চিত কৰা এই পদক্ষেপৰ ক্ষেত্ৰত সৰ্বোচ্চ বিনিয়োগৰ সীমা নিৰ্ধাৰণ কৰা হোৱা নাই। সজাগতা সভাখনত নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰৱন্ধকগৰাকীয়ে আঁচনিখনৰ বিভিন্ন সুবিধাসমূহৰ বিষয়ে তথ্য সমৃদ্ধ উপস্থাপন আগবঢ়াই অভিভাৱকসকলক আঁচনিখনৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

জ্যেষ্ঠ নাগৰিক সন্মিলন, অসমৰ অন্তৰ্গত নামনি মাজুলী জ্যেষ্ঠ নাগৰিক শাখা সন্মিলনৰ সপ্তম দ্বি-বাৰ্ষিক অধিৱেশনখন আজি বিৰিণাবাৰী গাঁৱত অনুষ্ঠিত হয়। পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পাছত বিষয় বাছনি সভা আৰু  সদস্য পঞ্জীয়নৰ লগতে কাৰ্যসূচীৰ অংশ হিচাপে এখন মুকলি সভা অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ৰাজ্যিক কাৰ্য নিৰ্বাহক সদস্য ললিত চন্দ্ৰ হাজৰিকা উপস্থিত থাকে।

তিনিচুকীয়া মাকুম ৰোডত থকা অসম হাইট্ছ পাব্লিক স্কুলত অনুষ্ঠিত চি বি এছ্ ই ফাৰ ইষ্ট সাঁতোৰ প্ৰতিযোগিতাত ১১ খন ৰাজ্যৰ ডেৰশ খন বিদ্যালয়ৰ ৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। আজিৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতা বয়স অনুসৰি চাৰিটা বিভাগত আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনৰ ১২০ টা কাৰ্যসূচীৰ ভিতৰত ৬০ টা আজি অনুষ্ঠিত হৈছে।

০০০০০০০

**সমাপ্ত**